**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 10**-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::::::**

১। অসম, কেৰলম আৰু পুডুচেৰী বিধানসভা নিৰ্বাচনৰ লগতে তিনিখন ৰাজ্যৰ চাৰিটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন কালি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়।

২। বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে কালি ভাৰত-আমেৰিকাৰ মাজত দ্বিপাক্ষিক চুক্তিসমূহৰ সাম্প্ৰতিক স্থিতি আৰু ভৱিষ্যত কৰ্মপন্থা সম্পৰ্কে দেশখনৰ শীৰ্ষ নেতৃবৰ্গৰ সৈতে আলোচনাত মিলিত হয়।

৩। মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কালি নতুন দিল্লীত **পৰিপুষ্টি পখেক**ৰ অষ্টম সংস্কৰণ মুকলি কৰে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰান সংঘৰ্ষ সম্পৰ্কীয় যুদ্ধ বিৰতিৰ ফলপ্ৰসূতাক লৈ উদ্বেগ প্ৰকাশ কৰিছে।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে কলকাতা নাইট ৰাইডাৰ্ছক তিনি উইকেটত পৰাস্ত কৰে।

০০০০

অসম, কেৰলম আৰু পুডুচেৰী বিধানসভা নিৰ্বাচনৰ লগতে তিনিখন ৰাজ্যৰ চাৰিটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন কালি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি অসমত ৮৫ দশমিক ৯-১ শতাংশ আৰু পুডুচেৰীত ৮৯ দশমিক ৮-৭ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। কেৰলমত ৭৮ দশমিক ০-৩ শতাংশ ভোটদান হয়। কৰ্ণাটকৰ বাগানকোট আসনৰ বাবে হোৱা উপ-নিৰ্বাচনত ৬৮ দশমিক ৭-০ আৰু দেৱনাগিৰি দক্ষিণ সমষ্টিত ৬৮ দশমিক ৫-৫ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। নাগালেণ্ডৰ কৰিডঙত ৮২ দশমিক ২-১ শতাংশ আৰু ত্ৰিপুৰাৰ ধৰ্মনগৰত ৮০ শতাংশৰো অধিক ভোটদান হয়। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু নিৰ্বাচন আয়ুক্ত ড০ এছ্ এছ্ সান্ধু আৰু ড০ বিবেক যোশীয়ে প্ৰথমবাৰৰ বাবে এই ৰাজ্য কেইখনৰ সকলো ভোটগ্ৰহণ কেন্দ্ৰত স্থাপন কৰা ৱেবকাষ্টিং ব্যৱস্থাৰে নিৰ্বাচনী প্ৰক্ৰিয়া নিৰীক্ষণ কৰে। এইবাৰ ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ই ভি এম বেলট পেপাৰত প্ৰাৰ্থীৰ ৰঙীন ফটো, ম'বাইলফোন জমাৰ সুবিধা, নতুন আৰ্হিৰ ভোটদাতাৰ তথ্য শ্লিপ আৰু প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ ২০০ গৰাকী ভোটদাতাৰ ভোটদানৰ সুবিধাৰ দৰে ভালেমান নতুন ব্যৱস্থা প্ৰৱৰ্তন কৰা হয়।

০০০০

বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে তিনিদিনীয়া কাৰ্যসূচীৰে আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰিছে। তেওঁ ভাৰত-আমেৰিকাৰ দ্বিপাক্ষিক চুক্তিসমূহৰ সাম্প্ৰতিক স্থিতি আৰু ভৱিষ্যত পন্থা সম্পৰ্কে ৱাছিংটন ডিচিৰ আগশাৰীৰ নেতৃবৃন্দৰ সৈতে আলোচনাত মিলিত হয়। তেওঁলোকে সাম্প্ৰতিক ভূৰাজনৈতিক পৰিস্থিতি আৰু

গোলকীয় শক্তি, খাদ্য তথা অৰ্থনৈতিক সুৰক্ষাৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ সম্পৰ্কেও আলোচনা কৰে। এই ভ্ৰমণে ভাৰত আৰু আমেৰিকাৰ দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশৰে পৰ্যালোচনা কৰাৰ লগতে মূল খণ্ডসমূহত থকা সহযোগিতা বৃদ্ধি কৰাৰ বাবে সুযোগ দিছে।

০০০০

ভাৰত আৰু মৰিছাছৰ মাজৰ সহযোগিতা বিগত বছৰত যথেষ্ট উন্নত হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰিছে। প'ৰ্টলুইত কালি মৰিছাছৰ প্ৰধানমন্ত্ৰী নবীন ৰামগুলামৰ সৈতে হোৱা বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত ড০ জয়শংকৰে কয়, যে আলোচনাত সামুদ্ৰিক সহযোগিতা, উন্নয়নমূলক অংশীদাৰিত্ব, স্বাস্থ্য, শিক্ষা, সামৰ্থ বৃদ্ধি আৰু জনসম্পৰ্ককে ধৰি বিভিন্ন বিষয়ে স্থান লাভ কৰে। ড০ জয়শংকৰ নৱম ভাৰত মহাসাগৰ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে সম্প্ৰতি মৰিছাছত আছে।

০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কালি নতুন দিল্লীত **পৰিপুষ্টি পযেক**ৰ অষ্টম সংস্কৰণ মুকলি কৰে। দেশৰ পৰা পৰিপুষ্টিজনিত সমস্যা দূৰ কৰি সুস্থ ভাৰত গঢ়াৰ লক্ষ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে এইবাৰ জীৱনৰ প্ৰথম ছবছৰত শিশুৰ মগজুৰ বিকাশ সৰ্বাধিক কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে পৰিপুষ্টি বিষয়টোক গণ আন্দোলনলৈ ৰূপান্তৰিত কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। তেওঁ কয় যে অংগনবাড়ী, আশা আৰু স্বাস্থ্য কৰ্মীসকল এই আন্দোলনৰ মেৰুদণ্ডস্বৰূপ আৰু এই কাৰ্যসূচী সফল কৰি তোলাৰ বাবে তেওঁলোকে অক্লান্তভাৱে কাম কৰি আছে। অংগনবাড়ী কৰ্মীসকলে পৰিস্কাৰ পৰিচ্ছন্নতাৰ পৰা পৰিপুষ্টি বিষয়ক অভ্যাসলৈ বিভিন্ন বিষয়ৰ শিক্ষাদানেৰে প্ৰতি দিনে দেশৰ শিশুসকলৰ ভৱিষ্যৎ গঢ়াৰ কামত ব্ৰতী হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

পৰিপুষ্টি পযেকৰ সময়ছোৱাত শিশুৰ জন্মৰ পৰা প্ৰথম এহেজাৰ দিনৰ পৰিপুষ্টি নিশ্চিত কৰা, হিতাধিকাৰী সকলৰ মাজত পৰিপুষ্টি নিৰ্ণয়ৰ বাবে পৰ্যালোচনা কৰা, স্বাস্থ্য সন্মত জীৱনশৈলী গঢ়ি তুলি শিশুৰ মেদবহুলতা নিয়ন্ত্ৰণ কৰা আৰু সামগ্ৰিকভাৱে স্বাস্থ্য আৰু পৰিপুষ্টি নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই পযেকটোত দেশৰ অংগনবাড়ী কেন্দ্ৰসমূহত মাতৃ, অভিভাৱক, পৰিয়াল আৰু স্থানীয় সংগঠনসমূহৰ সহযোগিতাৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। ইয়াৰ ভিতৰত পুষ্টি পঞ্চায়ত, সজাগতামূলক অভিযান, খেল-ধেমালিৰ মাধ্যমেৰে শিক্ষণ আৰু সুস্থ জীৱনশৈলী প্ৰসাৰৰ কাৰ্যসূচী লোৱা হ'ব।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰান সংঘৰ্ষ সম্পৰ্কীয় যুদ্ধ বিৰতিৰ ফলপ্ৰসূতাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে ইৰানে হৰমুজ প্ৰণালীৰে তেলৰ সৰবৰাহ সম্পৰ্কীয় চৰ্তসমূহ মানি চলা নাই বুলি অভিযোগ উত্থাপন কৰিছে। শ্ৰী ট্ৰাম্পে সমাজিক মাধ্যম যোগে কয়, যে ইৰানে তেল সৰবৰাহৰ অনুমতিৰ ক্ষেত্ৰত বেয়া কাম কৰি আছে। তেহৰান মহলে হৰমুজ প্ৰণালীৰে আহযাহ কৰা টেংকাৰৰ ওপৰত মাচুল আৰোপ কৰা বুলি ওলোৱা বাতৰিকলৈ তেওঁ সকীয়াই দিছে। আমেৰিকাই যুদ্ধ বিৰতি চুক্তিৰ অধীনত হৰমুজ প্ৰণালী মুকলি কৰি ৰখাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে আৰু ইৰানৰ সেনাই জলপথছোৱাৰে অহা-যোৱা কৰা জাহাজৰ ওপৰত কৰ আৰোপৰ যিকোনো প্ৰচেষ্টাৰ বিৰোধিতা কৰিব।

অন্য এক ঘটনাক্রমত ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুয়ে লেবাননৰ সৈতে পোনপটীয়া আলোচনাত সন্মতি প্ৰকাশ কৰিছে। ইৰানৰ সমৰ্থনপ্ৰাপ্ত হিজবুল্লাহক সৈমান কৰি দেশ দুখনৰ মাজৰ সম্পৰ্ক স্বাভাৱিক কৰাৰ সম্ভাৱনা অন্বেষণৰ উদ্দেশ্যে এই আলোচনা আৰম্ভ কৰিব বিচৰা হৈছে। অৱশ্যে শ্ৰী নেতান্যাহুৱে ইজৰাইল আৰু লেবাননৰ মাজত যুদ্ধ বিৰতি হোৱা নাই বুলি স্পষ্ট কৰি দিছে। তেওঁ কয়, যে ইজৰাইলী সেনাই দেশখনৰ উত্তৰ অংশক নিৰাপদ নোহোৱালৈকে হিজবুল্লাহৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিব। প্ৰাপ্ত বাতৰি অনুসৰি দেশ দুখনৰ মাজত ৱাশ্বিংটনত অহা সপ্তাহত প্ৰাস্তাৱিত আলোচনা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। আলোচনাত দুয়ো পক্ষৰ জ্যেষ্ঠ কূটনৈতিক প্ৰতিনিধি উপস্থিত থকাৰ কথা। অৱশ্যে লেবাননে এতিয়ালৈকে বিষয়টো সন্দৰ্ভত আনুষ্ঠানিকভাৱে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।

০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে পৰম্পৰাগত ইষ্টাৰ সপ্তাহান্তৰ পৰিপ্ৰেক্ষিতত আজি ইউক্ৰেইনত যুদ্ধ বিৰতি ঘোষণা কৰিছে। ইয়াৰ পূৰ্বে ভ'ল'ডিমিৰ জেলেনস্কিয়ে বন্ধ পালনৰ বাবে যুদ্ধবিৰামৰ প্ৰস্তাৱ দিছিল। ক্ৰেমলিনে জাৰী কৰা পুটিনৰ এই নিৰ্দেশনাত ৰাছিয়ান সেনা বাহিনীক শনিবাৰৰ পৰা দেওবাৰৰ সন্ধিয়ালৈকে যুদ্ধবিৰতি পালনৰ আদেশ দিয়া হৈছে। পুটিনৰ এই নিৰ্দেশনা সন্দৰ্ভত কিয়েভৰ তৰফৰ পৰা এতিয়াও কোনো প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাই। অৱশ্যে যুদ্ধবিৰতি সুনিশ্চিত কৰাৰ বাবে চলোৱা পূৰ্বৰ প্ৰয়াসসমূহ বিফল হৈছে। যোৱা বছৰ আমেৰিকা আৰু ইউক্ৰেইনে চৰ্তবিহীনভাৱে ৩০ দিনৰ যুদ্ধবিৰতিৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ ৰাছিয়াই নাকচ কৰিছিল। ইয়াৰ পৰিৱৰ্তে মস্কোৱে ভালেমান হ্ৰস্বকালীন একপক্ষীয় যুদ্ধবিৰতি ঘোষণা কৰিছিল।

০০০০

বিশ্ব হোমিঅ'প্যাথি দিৱস আজি দেশে-বিদেশে পালন কৰা হৈছে। হোমিঅ'প্যাথি বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ চিকিৎসা প্ৰণালী। এইবাৰ এই দিৱসৰ মূলমন্ত্ৰ হৈছে - **বহনক্ষম স্বাস্থ্যৰ বাবে হোমিঅ'পেথি**। স্বাস্থ্য সেৱাৰ সৰ্বাত্মক দৃষ্টিভংগী বহন কৰা হোমিঅ'প্যাথিয়ে প্ৰাকৃতিক পদ্ধতিৰ বাবে বিশ্বৰ লাখ লাখ লোকক আকৰ্ষিত কৰি আহিছে।

আয়ুষ মন্ত্ৰালয়ে আজি নতুন দিল্লীত বিশ্ব হোমিঅ'পেথি দিৱসৰ আয়োজন কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই দিৱসৰ সৈতে সংগতি ৰাখি দুদিনীয়া আলোচনা সত্ৰৰো আয়োজন কৰা হৈছে। এই সত্ৰত নীতি নিৰ্মাতা, গৱেষক, চিকিৎসক আৰু অন্যান্য প্ৰতিনিধিসকলে অংশ ল'ব। তেওঁলোকে বহনক্ষম স্বাস্থ্য ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত হোমিঅ'পেথিৰ বৰ্ধিত ভূমিকা সন্দৰ্ভত আলোচনা কৰিব। কাইলৈৰ অনুষ্ঠানত হোমিঅ'পেথি খণ্ডত গুৰুত্বপূৰ্ণ গৱেষণাৰ অগ্ৰগতি, জনস্বাস্থ্য পদক্ষেপ আৰু নীতি বিকাশ আদি বিষয়ত আলোকপাত কৰা হ'ব বুলি আয়ুষ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত **১০ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হব। ফলাফলসমূহ** sebaonline.org, resultassam.nic.in, asseb.in **আদি ৱেবছাইটত উপলব্ধ হব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও আজি ধেমাজিত এই বিষয়ে প্ৰকাশ কৰে।**

**উল্লেখযোগ্য যে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত মুঠ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।**

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে কলকাতা নাইট ৰাইডাৰ্ছক তিনি উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ১৮২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৭টা উইকেটৰ বিনিময়ত খেলৰ অন্তিমটো বলত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। লক্ষ্ণৌৰ হৈ মুকুল চৌধৰীয়ে ২৭টা বলত ৫৪ আৰু আয়ুষ বাদনিয়ে ৩৪ টা বলত ৫৪ ৰান কৰে। অংগৰিক্ষ ৰঘুবংশিয়ে ৩৩ টা বলত ৪৫ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত চাৰি টা উইকেট হেৰুৱাই ১৮১ ৰান কৰে।

প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰাত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ, ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ